**প্ৰেছ বাৰ্তা নং ঃ ৮৪/২০২৩**

**কৰ্মবীৰ চন্দ্ৰনাথ শৰ্মাৰ মৃত্যু শতবাৰ্ষিকী সোঁৱৰণ অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ অংশগ্ৰহণ**

# কৰ্মবীৰ চন্দ্ৰনাথ শৰ্মাৰ জীৱন সকলোৰে বাবে অদম্য উদ্যম, প্ৰেৰণা আৰু সাহসৰ প্ৰতীক ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১৩ মে'** ঃ শোণিতপুৰ জিলাৰ বিহগুৰিৰ চন্দ্ৰনাথ শৰ্মা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আয়োজিত কৰ্মবীৰ চন্দ্ৰনাথ শৰ্মাৰ মৃত্যু শতবাৰ্ষিকী সোঁৱৰণ অনুষ্ঠানত আজি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অংশগ্ৰহণ কৰে।

সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে কেইবাগৰাকী পুৰোধা ব্যক্তিৰ জন্মস্থান শোণিতপুৰে অসমৰ ভাষা-সাহিত্য-সংস্কৃতি, সামাজিক জীৱন আৰু বৌদ্ধিক দিশলৈ যি অফুৰন্ত বৰঙণি যোগাই গৈছে সেয়া সকলোৰে বাবে প্ৰেৰণাৰ উৎস। শোণিতপুৰ জিলাৰ সু-সন্তান কৰ্মবীৰ চন্দ্ৰনাথ শৰ্মাৰ জীৱন-দৰ্শন আলোকপাত কৰি মুখ্যমন্ত্ৰীয়ে কয় যে তেওঁৰ স্বদেশপ্ৰেম, বৌদ্ধিক চেতনা, সামাজিক বৰঙণিয়ে আজিও সকলোকে সমাজ আৰু দেশৰ হকে সেৱা আগবঢ়োৱাৰ বাবে প্ৰেৰণা যোগায়। মুখ্যমন্ত্ৰীয়ে কয় যে শোণিতপুৰ জিলাৰ ইতিহাস অত্যন্ত সমৃদ্ধ। ভাৰতীয় মহাকাব্যৰ পৰা পুৰাণৰ যুগলৈ ভাৰতবৰ্ষৰ উত্তৰ-পূব অঞ্চলটো প্ৰাগজ্যোতিষপুৰ আৰু কামৰূপ নামেৰে অভিহিত হৈছিল। জিলাখনৰ ধলপুৰ পাহাৰত অৱস্থিত নৱপ্ৰস্তৰ যুগৰ শিলৰ সঁজুলিয়ে শোণিতপুৰ জিলাৰ প্ৰাক্ ঐতিহাসিক কালৰ প্ৰাচীন সমাজৰ চিত্ৰ তুলি ধৰে বুলি মুখ্যমন্ত্ৰীয়ে কয়। তেওঁ কয় যে কালিকা পুৰাণৰ দৰে প্ৰাচীন গ্ৰন্থত অসমৰ কথা উল্লেখ কৰোতে প্ৰাগজ্যোতিষপুৰ আৰু শোণিতপুৰ নামে দুটা অঞ্চল উল্লেখ কৰা হৈছে। মুখ্যমন্ত্ৰীয়ে কয় যে সাংস্কৃতিকভাৱে সমৃদ্ধ তেজপুৰৰ এক সুকীয়া পৰিচিতি আছে। ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা, কলাগুৰু বিষ্ণু ৰাভা, নটসূৰ্য ফণী শৰ্মা, ভাৰতৰত্ন ড° ভূপেন হাজৰিকা আদিৰ দৰে বহু পুৰোধা ব্যক্তিৰ শৈল্পিক সুষমাই আমাৰ সাংস্কৃতিক চেতনাক বিশ্বমুখী কৰি গৈছে। তেওঁ লগতে কয় যে ঐতিহ্যমণ্ডিত বিহগুৰিবাসীয়ে অসমীয়া ভাষা-সাহিত্য, শিল্পকলা আদি বিভিন্ন দিশলৈ যথেষ্ট অৱদান যোগাই গৈছে। এই অঞ্চলৰে সুযোগ্য সন্তান চন্দ্ৰনাথ শৰ্মাই অসমৰ সমাজ জীৱনলৈ যথেষ্ট অৱদান যোগাই গৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে কয় যে কৰ্মবীৰ চন্দ্ৰনাথ শৰ্মাৰ জীৱন আমাৰ বাবে অদম্য উদ্যম, প্ৰেৰণা আৰু সাহসৰ প্ৰতীক। মাত্ৰ ৩২ বছৰ বয়সতে পৰলোকপ্ৰাপ্তি হোৱা হোৱা চন্দ্ৰনাথ শৰ্মাৰ জীৱন কাহিনী অসমৰ জাতীয় জীৱনত কিংবদন্তিত পৰিণত হৈছে। স্বদেশৰ প্ৰতি গভীৰ ভালপোৱা, সামাজিক কৰ্মমুখী চেতনা, কৰ্মক্ষমতা, অসমীয়া ভাষা-সাহিত্যৰ প্ৰতি গভীৰ অনুৰাগ আৰু এক বৌদ্ধিক বাতাবৰণ গঢ়ি তোলাৰ বাবে তেওঁ দি যোৱা অৱদানে আজিও সকলোকে অনুপ্ৰাণিত কৰে বুলি মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে কয় যে কৰ্মবীৰ চন্দ্ৰনাথ শৰ্মাৰ স্বদেশপ্ৰেম অতুলনীয়। দেশমাতৃৰ প্ৰতি তেওঁৰ আছিল গভীৰ অনুৰাগ আৰু শ্ৰদ্ধা। ভাৰতৰ

**জনসংযোগ, অসম**

**মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ**

**প্ৰেছ বাৰ্তা**

স্বাধীনতা আন্দোলনত তেওঁ আগবঢ়াই যোৱা অৱদানে আজিও সকলোকে দেশমাতৃক সেৱা কৰাৰ ভাৱনাৰে আগুৱাই যোৱাৰ বাবে অনুপ্ৰেৰণা যোগায়। চন্দ্ৰনাথ শৰ্মাৰ নেৰানেপেৰা আৰু ঐকান্তিক প্ৰচেষ্টাত গুৱাহাটীত অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ জন্ম হৈছিল বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে চন্দ্ৰনাথ শৰ্মাৰ আহ্বানৰ প্ৰতি সঁহাৰি জনাই কলিকতাত অধ্যয়নৰত বহু ছাত্ৰই কলেজ বৰ্জন কৰি ভাৰতৰ স্বাধীনতা আন্দোলনত যোগদান কৰিছিল। চন্দ্ৰনাথ শৰ্মাই দেশক পৰাধীনতাৰ কৱলৰ পৰা মুক্ত কৰাৰ বাবে যি অৱদান যোগাই গ'ল, সেয়া ভাৰতৰ স্বাধীনতা আন্দোলনৰ অন্যতম এক অধ্যায়। মুখ্যমন্ত্ৰীয়ে কয় যে চন্দ্ৰনাথ শৰ্মা কেৱল এগৰাকী স্বাধীনতা যুদ্ধাই নাছিল, তেওঁ আছিল এজন বিচক্ষণ ৰাজনীতিবিদ। ৰাজনীতি আছিল তেওঁৰ মানৱীয় ধৰ্ম। অসম এছ'চিয়েশ্যনৰ জৰিয়তে তেওঁ এক ৰাজনৈতিক অনুষ্ঠান গঢ়ি তুলিছিল বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই অনুষ্ঠানৰ সম্পাদক হিচাপে তেওঁ অসমৰ ৰাজনৈতিক দিশসমূহ তুলি ধৰিছিল।

মুখ্যমন্ত্ৰীয়ে কয় যে এখন দেশ সমৃদ্ধিৰ পথত আগুৱাই যাবলৈ হ'লে নৱপ্ৰজন্মই মাতৃভূমিৰ প্ৰতি আনুগত্যশীল হ'ব লাগিব, সেই কথা চন্দ্ৰনাথ শৰ্মাই গভীৰভাৱে অনুধাৱন কৰিছিল। স্কুলীয়া জীৱনত অসমীয়া ভাষা-সাহিত্যৰ অৱস্থা দেখি তেওঁৰ মনত শংকাৰ ভাৱ জাগ্ৰত হৈছিল। চন্দ্ৰনাথ শৰ্মাৰ উদ্যোগত অসম ছাত্ৰ সন্মিলন অনুষ্ঠিত হৈছিল বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে কৰ্মবীৰগৰাকীৰ ঐকান্তিক প্ৰয়াসৰ ফলত অসম ছাত্ৰ সন্মিলনে যুৱ প্ৰজন্মক নতুন মাৰ্গ দৰ্শন দিবলৈ সক্ষম হৈছিল। তেওঁ অসমৰ নবীনসকলক কঠোৰ পৰিশ্ৰমৰ জৰিয়তে জীৱন গঢ়ি তোলাৰ সপক্ষে আহ্বান জনাইছিল। তেওঁ নিজেও সেই আদৰ্শক দাঙি ধৰিছিল। চন্দ্ৰনাথ শৰ্মাই মানসিক শ্ৰমৰ লগতে শাৰীৰিক শ্ৰমো কৰিছিল। সেইবাবে তেওঁৰ কৰ্মস্পৃহাই আন দহ জনকো অনুপ্ৰেৰণা যুগাইছিল বুলি মুখ্যমন্ত্ৰীয়ে কয়। শোণিতপুৰ জিলাৰ শ্বহীদ আৰু স্বাধীনতা সেনানি সকলৰ অতুলনীয় স্বদেশপ্ৰেমে আজিও সকলোকে দেশপ্ৰেমৰ ভাৱনাৰে আগুৱাই যোৱাৰ বাবে প্ৰেৰণা যোগায়। চন্দ্ৰনাথ শৰ্মা আৰু স্বামী বিবেকানন্দৰ ৩২ বছৰ বয়সত মৃত্যু হৈছিল বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে বিবেকানন্দৰ জীৱনে আজিও ভাৰতবাসীক উদ্বুদ্ধ কৰে। স্বামী বিবেকানন্দই ভাৰতীয় সভ্যতাৰ মাজত বহু শ বছৰ জীয়াই থাকিব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে চন্দ্ৰনাথ শৰ্মাই যি অভূতপূৰ্ব বৰঙণি অসমৰ জাতীয় জীৱনলৈ আগবঢ়াই গ'ল সেয়া কৃতজ্ঞ সমাজে বহু দিনলৈ সোঁৱৰণ কৰিব।

অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে চন্দ্ৰনাথ শৰ্মাৰ নামত এখন মহাবিদ্যালয় ৰাজ্য চৰকাৰে স্থাপন কৰিব বুলি ঘোষণা কৰে।

আজিৰ এই অনুষ্ঠানত গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী অশোক সিংহল, সাংসদ পল্লৱলোচন দাস, বিধায়কসকল পদ্ম হাজৰিকা, গণেশ লিম্বু, পৃথ্বিৰাজ ৰাভা, কৃষ্ণ কমল তাঁতী প্ৰমুখ্যে গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

**অঃহাঃ**
**১৩/৫/২০২৩**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com

/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in